জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ১৮৬/২০২০

ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধকল্পে ওদালগুৰি জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# কৃষিকাৰ্যত আত্মনিয়োগ কৰাৰ বাবে কৃষকসকলক অনুপ্ৰাণিত কৰিবলৈ কৃষি বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

আন্তঃৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক সীমান্তত তীক্ষ্ম নজৰ ৰখাৰ নিৰ্দেশ

**দিছপুৰ, ১৮ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কৃষি বিভাগৰ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া-কৰ্মীসকলক প্ৰগতিশীল কৃষককে ধৰি অন্যান্য কৃষকসকলক লগ ধৰি তেওঁলোকক সামাজিক দূৰত্ব বজাই ৰাখি কৃষিকাৰ্য চলোৱাৰ বাবে অনুপ্ৰাণিত কৰাৰ পদক্ষেপ ল'বলৈ কৃষি বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কৃষিকাৰ্যৰ বাবে প্ৰয়োজনীয় সাৰ, কীটনাশককে ধৰি অন্যান্য সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত ৰখাৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। আজি ওদালগুৰি জিলাত ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধকল্পে গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে।

ওদালগুৰি জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে ওদালগুৰি জিলাৰ ইতিমধ্যে ছীল হৈ থকা ভাৰত-ভূটান আন্তৰ্জাতিক সীমান্ত আৰু অসম-অৰুণাচল আন্তঃৰাজ্যিক সীমান্তত যাতে অনুমতিবিহীন কোনোধৰণৰ চাল-চলন ঘটিব নোৱাৰে, তাৰ বাবে তীক্ষ্ণ নিৰীক্ষণ ৰখাৰ পদক্ষেপ ল'বলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। আজিৰ এই পৰ্যালোচনা বৈঠকত জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই লক ডাউনৰ সময়ছোৱাত জিলা প্ৰশাসনে জিলাখনৰ জনসাধাৰণক সকাহ প্ৰদানৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ উপৰি ক'ভিড-১৯ প্ৰতিৰোধকল্পে জিলাখনত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কে মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰী সোণোৱালে লক ডাউনৰ সময়ছোৱাত জিলাখনত যাতে অত্যাৱশ্যকীয় সামগ্ৰী সকলো সময়তে জনসাধাৰণৰ বাবে উপলব্ধ হৈ থাকে, সেই সম্পৰ্কে উপযুক্ত পদক্ষেপ গ্ৰহণৰ বাবে জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে এই সময়ছোৱাত অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে মূল্যবৃদ্ধি নহয় তাৰ বাবে পাইকাৰী ব্যৱসায়ীসকলৰ সৈতে এক বৈঠকত মিলিত হ'বলৈও জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলাখনত এইখিনি সময়ত উদ্ভৱ হোৱা যিকোনো পৰিস্থিতি উপযুক্তভাৱে মোকাবিলা কৰাৰ বাবে উপায় নিৰ্দ্ধাৰণৰ বাবে জিলাখনৰ দায়িত্বত থকা মন্ত্ৰী তথা সাংসদ আৰু বিধায়কসকলৰ সৈতে নিয়মীয়া বৈঠক অনুষ্ঠিত কৰিবলৈও জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তৰ কাৰ্যালয়ত স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষ যাতে দিনে-নিশাই সক্ৰিয় হৈ থাকে তাৰ উপযুক্ত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত নিয়ন্ত্ৰণৰ কক্ষৰ দায়িভাৰ অৰ্পণ কৰা কৰ্মচাৰীসকলক ছিফ্‌ট ভিত্তিত দায়িত্ব প্ৰদানৰ ব্যৱস্থা ল'বলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে, এই কক্ষই যাতে জনসাধাৰণৰ যিকোনো ফোনকল গ্ৰহণ কৰি ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে শিশু, জ্যেষ্ঠ নাগৰিক আৰু গৰ্ভৱতী মহিলাসকলৰ বাবে ক্ষিপ্ৰ আৰু কাৰ্যকৰী সেৱা তাৎক্ষণিকভাৱে আগবঢ়োৱাৰ পদক্ষেপ ল'বলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত মুখ্যমন্ত্ৰীয়ে অলপতে হোৱা ধুমুহাত জিলাখনৰ বৈদ্যুতিক সেৱাৰ ক্ষয়-ক্ষতিৰো বুজ লয়। এপিডিচিএলৰ বিষয়ববীয়াসকলে এই ক্ষয়-ক্ষতিৰ তাৎক্ষণিকভাৱে মেৰামতিৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে এই লক ডাউনৰ সময়ছোৱাত কোনো কাৰণতে যাতে বিদ্যুৎ সৰবৰাহৰ ব্যাঘাত নজন্মে তাৰ বাবে উপযুক্ত পদক্ষেপ ল'বলৈও এপিডিচিএলৰ বিষয়াক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ওদালগুৰিৰ সোণাইগাঁও কেম্পত স্থাপন কৰা কোৱাৰেন্টাইন চেন্টাৰ পৰিদৰ্শন কৰি ইয়াত নিয়োজিত হৈ থকা চিকিৎসক, নাৰ্চ ইত্যাদিৰ লগত মত-বিনিময় কৰে।

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত জিলাখনৰ দায়িত্বত থকা ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, বিধায়কসকল ক্ৰমে বিমল বৰা, কমলী বসুমতাৰী, চৰণ বড়ো, মহেশ্বৰ বড়ো, বি টি এ ডিৰ প্ৰধান সচিব ৰবীনচন মুছাহাৰী, বিটিচিৰ সচিব ভাস্কৰজ্যোতি মান্টা, বিটিএডিৰ আই জি পি অনুৰাগ আগৰৱালা, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

পৰ্যালোচনামূলক বৈঠকৰ পিছতে জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত উপস্থিত থকা স্থানীয় সংবাদসেৱীসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথম পৰ্যায়ত যি ২১ দিনীয়া লক ডাউনৰ কাৰ্যসূচী ঘোষণা কৰিছিল সেই কাৰ্যসূচী অসমৰ জনসাধাৰণে অত্যন্ত নিষ্ঠাৰে তথা সম্পূৰ্ণ শৃংখলাবদ্ধতাৰে পালন কৰিছে। ইয়াৰ বাবে অসমৰ জনসাধাৰণৰ প্ৰতি বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অহা ৩ মে'লৈ চলিবলগীয়া দ্বিতীয় পৰ্যায়ৰ লক ডাউনৰ কাৰ্যসূচীৰ সময়ছোৱাত ৰাজ্যখনৰ জনসাধাৰণে যাতে জৰুৰীকালীন সেৱাকে ধৰি সকলোধৰণৰ অত্যাৱশ্যকীয় সেৱা লাভ কৰি থাকে ইয়াৰ নিশ্চিতিকল্পে ৰাজ্য চৰকাৰে যথাসম্ভৱ সকলো পদক্ষেপ গ্ৰহণ কৰিছে। আনিক এই সময়ছোৱাত ৰাজ্যখনৰ বাহিৰত আবদ্ধ হৈ থকা অসমৰ জনসাধাৰণে যাতে প্ৰয়োজনীয় সেৱা সেৱা লাভ কৰি থাকে তাৰ বাবে আজি তেওঁ বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে টেলিফোনযোগে কথা পাতিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অসমত আবদ্ধ হৈ থকা বাহিৰৰ ৰাজ্যৰ ব্যক্তিসকলৰ বাবেও অসম চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কয়। ক'ভিড-১৯ সংক্ৰমণৰ প্ৰতিৰোধকল্পে ৰাজ্যৰ চুকে-কোণে জনসচেতনতা সৃষ্টিৰ দিশত সংবাদসেৱীসকলে গ্ৰহণ কৰি থকা পদক্ষেপৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে আগন্তুক দিনকেইটাতো জনসাধাৰণক এই দিশত অধিক সজাগ আৰু সচেতন কৰাৰ বাবে পদক্ষেপ ল'বলৈ সংবাদসেৱীসকলৰ প্ৰতি আহ্বান জনায়।

**বঃভাঃ /পুঃডেঃ /প্ৰঃকুঃবঃ**
**১৮/৪/২০২০**